# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 28-02-2026 **Time :** 0755 HRS

***Assamese MorningBulletin***

ব্ৰহ্মপুত্ৰৰ বুকুত বাৰমাহে জাহাজ চলিব পৰাকৈ শীঘ্ৰে ব্ৰহ্মপুত্ৰ খনন কাৰ্য্য আৰম্ভ কৰা হ'ব। নেচনেল ড্ৰেজিং প্লাণ্টৰ মতে এই খনন কাৰ্য্য কৰা হ'ব। কালি ডিব্ৰুগড়ত কেইবাটাও প্ৰকল্প উদ্বোধন কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিক ভাৱে শুকুৱাক লৈ উদ্বেগ প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰৰ সহযোগত চলিবলগীয়া ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য পৰীক্ষা নিৰীক্ষা কৰাৰ পাছতে আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰত যদি বাৰমাহে জাহাজ চলিবলগীয়া হয় তেনেহ'লে ইয়াৰ গভীৰতা ২ মিটাৰ হব লাগিব বুলি তেওঁ কয়। ইতিমধ্যে ধুবুৰীত ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য চলি থকা বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰিছে। অৱশ্যে এই খনন কাৰ্য্যৰ সৈতে পৰিৱেশ সম্পৰ্কীয় কথাও জড়িত হৈ আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে, ইয়াৰ সৈতে জড়িত সকলো দিশ আলোচনা কৰিহে কাম আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰৰ খনন সন্দৰ্ভত শ্ৰী সোণোৱালে এইদৰে কয়-

বাইট (সোণোৱাল)

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানত পৰিবহন মন্ত্ৰী চৰণ বড়ো, স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, বিমল বৰা, ৰূপেশ গোৱালাকে ধৰি ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিধায়ক তথা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে৷ শ্ৰী সোণোৱালে এই অনুষ্ঠানৰ পৰাই ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০

ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে কালি অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধীকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অতিথি হিচাপে উপস্থিত থাকে। গ্ৰীণফিল্ড বিমান বন্দৰৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান অঞ্চল, উমৰাংছ', মাজুলী আৰু ডিফুৰ নাম প্ৰস্তাৱ কৰা হৈছে। অনুষ্ঠানত আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থাৰ সৰলীকৰণ, পৰ্যটন খণ্ডৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ আৰু বাণিজ্যিক সুযোগ বৃদ্ধি তথা কৌশলগত সংযোগৰ সুচল কৰণ সন্দৰ্ভত আলোচনা কৰা হয়। এই চুক্তিয়ে আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থা সৰল কৰাৰ লগতে পৰ্য্যটন ক্ষেত্ৰৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ ঘটাব বুলি আশা কৰা হৈছে।

০০০০

সমাগত নিৰ্বাচনৰ প্ৰতি ৰাজ্যিক বিজেপিয়ে প্ৰতিদিনে ১ লাখ লোকৰ সৈতে সম্পৰ্ক স্থাপনৰ লক্ষ্যৰে আজি জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰিব। ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ গোপেশ্বৰ মন্দিৰৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ জনসাধাৰণৰ লগত সম্পৰ্ক স্থাপনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নেতৃত্বত হ'বলগীয়া এই যাত্ৰাৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী ইতিমধ্যে ঘোষণা কৰা হৈছে। এই যাত্ৰাৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জন কল্যাণমূলক কাম-কাজসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৰাজ্যবাসীৰ আশীৰ্বাদ বিচাৰিব। দলীয় সূত্ৰই প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ঢেকীয়াজুলি, বৰছলা, তেজপুৰ, ন-দুৱাৰ আৰু ৰঙাপৰা সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ লোৱাৰ পাছত ক্ৰমে গহপুৰ, বিহপুৰীয়া, ৰঙানদী, নাওবৈচা, জোনাই, খোৱাং, তিনিচুকীয়া আদি অঞ্চলতো প্ৰচাৰ চলাব।

ইপিনে, বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়, বাজপেয়ী ভৱনত ইতিমধ্যে আৰম্ভ হোৱা ডিজিটেল প্ৰচাৰ কাৰ্যসূচী 'মোদীৰ বন্ধু' শীৰ্ষক অভিযানৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শুভাৰম্ভণি কৰে। এই কাৰ্যসূচীৰ জৰিয়তে ডিজিটেল প্লেটফ'ৰ্মৰ লগত জড়িত লক্ষাধিক যুৱক-যুৱতীয়ে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজ সম্পৰ্কে সামাজিক মাধ্যমত বিস্তৃত ৰূপত প্ৰচাৰ কৰি জনসাধাৰণক অৱগত কৰাৰ প্ৰয়াস কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে প্ৰস্তুত কৰা বিজেপিৰ তিনিটা নিৰ্বাচনী গীত কালি মুখ্যমন্ত্ৰী ডং শৰ্মাই মুকলি কৰে। এই গীতৰ জৰিয়তে দলৰ দৃষ্টিভংগী আৰু সংকল্প অধিক শক্তিশালীভাৱে জনসাধাৰণৰ আগত তুলি ধৰিবলৈ চেষ্টা কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে কালি জুবিন গাৰ্গৰ দুই দেহৰক্ষী পৰেশ বৰা আৰু নন্দেশ্বৰ বৈশ্যৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। দুয়োজনৰ বিৰুদ্ধে তদাৰকী কোষে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তিৰ গোচৰ ৰুজু কৰিছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত এই দুয়োজন দেহৰক্ষী বৰ্তমান কাৰাগাৰত আছে আৰু আদালতে ইতিপূৰ্বে দুয়োজনৰে জামিন আবেদন নাকচ কৰে।

০০০০০০০